**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ফ্ৰান্সক ভাৰতৰ প্ৰাচীনতম কৌশলগত অংশীদাৰী দেশসমূহৰ ভিতৰত অন্যতম দেশ বুলি মন্তব্য কৰিছে।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে পশ্চিমবংগ ভ্ৰমণ কৰি ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে দলৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰিব।

৩। কেন্দ্ৰীয় চৰকাৰে উত্তৰাখণ্ডৰ পাওৰীৰ ৫৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুগাড্ডাৰ পৰা গুমখাল খণ্ডৰ উন্নীতকৰণৰ বাবে ৩৯০ কোটি অধিক টকাৰ আৱণ্টন দিছে।

৪। গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলন অনুষ্ঠিত হ'ব। *আৰু*

৫। আই চি চি মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপ ২০২৬ৰ যোগ্যতা নিৰ্ণয়কাৰী খেলসমূহৰ সূচী প্ৰকাশ কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ফ্ৰান্সক ভাৰতৰ প্ৰাচীনতম কৌশলগত অংশীদাৰসমূহৰ ভিতৰত অন্যতম দেশ বুলি উল্লেখ কৰি কয়, যে দুয়োখন দেশ বহুমেৰুকৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু বৰ্তমান সময়ত গোলকীয় ৰাজনীতি প্ৰতিষ্ঠা কৰাৰ বাবে সহযোগিতাৰে কাম কৰাটো অতি প্ৰয়োজন। পেৰিছত ফ্ৰান্সৰ বিদেশ মন্ত্ৰী জীন ন'ৰেল বেৰ'টৰ সৈতে হোৱা বৈঠকৰ আৰম্ভণিতে ড০ জয়শংকৰে কয়, যে সম্পৰ্ক অটুট ৰখাৰ বাবে ধাৰাবাহিক আলোচনা যথেষ্ট গুৰুত্বপূৰ্ণ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে গুজৰাটৰ সোমনাথ মন্দিৰ দৰ্শন কৰি **সোমনাথ স্বাভিমান পৰ্ব**ত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে সোমনাথ মন্দিৰত হোৱা প্ৰথমটো আক্ৰমণৰ হাজাৰ বছৰৰ স্মৃতি ৰোমন্থন কৰি ২০২৬ বৰ্ষত বছেৰেকীয়াভাৱে উদযাপন কৰাকৈ বহুবোৰ কাৰ্যসূচী হাতত লোৱা হৈছে। ভাৰতৰ পাৰম্পৰিক ভক্তি ভাৱ, সংস্কৃতি আৰু সামাজিক কৰ্মসমূহক সামৰি লৈ কাইলৈৰ পৰা **১১** জানুৱাৰীলৈকে **সোমনাথ স্বাভিমান পৰ্ব**ৰ আয়োজন কৰিবলৈ লোৱা হৈছে। উল্লেখযোগ্য যে চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৫১ চনত সোমনাথৰ পুনৰনিৰ্মিত মন্দিৰৰ উদ্বোধন কৰিছিল। সেই দিনটোৰ ৭৫ বছৰীয়া জয়ন্তীও এই **সোমনাথ স্বাভিমান পৰ্ব**ৰ সৈতে সংযুক্ত হৈ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰাচীন আক্ৰমণকাৰীসকলৰ পৰ্যাপ্ত চেষ্টাৰ পাছতো থিয় হৈ ৰোৱা এই মন্দিৰে ভাৰতীয় লোকসকলৰ অদম্য সাহসৰ পৰিচয় দাঙি ধৰে।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে পশ্চিমবংগ ভ্ৰমণ কৰিব আৰু ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে দলৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰিব। এই ভ্ৰমণৰ সময়ত

শ্ৰীনাড্ডাই দলৰ পশ্চিমবংগ গোটৰ মূল সমিতিৰ এখন বৈঠকত মিলিত হ'ব আৰু জিলা পৰ্যায়ৰ দলীয় নেতাসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে বিজেপিৰ চিকিৎসক গোটৰ সদস্য সকলকো সাক্ষাৎ কৰিব। এই ভ্ৰমণৰ সময়ত শ্ৰীনাড্ডাই বিজেপি কৰ্মকৰ্তাসকলৰ পৰা তৃণমূল পৰ্যায়ৰ মতামত গ্ৰহণ কৰিব আৰু সমাগত নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰিব। কাইলৈ শ্ৰীনাড্ডাই তেওঁৰ মন্ত্ৰালয়ৰ সৈতে জড়িত এখন চৰকাৰী বৈঠকত অংশগ্ৰহণ কৰিব।

ইয়াৰ পূৰ্বে যোৱা ডিচেম্বৰত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে তিনিদিনীয়া কাৰ্যসূচীৰে পশ্চিমবংগ ভ্ৰমণ কৰিছিল আৰু দলীয় কৰ্মকৰ্তাসকলৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰাখণ্ডৰ পাওৰীৰ ৫৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুগাড্ডাৰ পৰা গুমখাল খণ্ডৰ উন্নীতকৰণৰ বাবে ৩৯০ কোটি অধিক টকাৰ আৱণ্টন দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত পথ, পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, যে এই প্ৰকল্পৰ অধীনত ১৮ দশমিক ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ খণ্ডটো দুটালেনযুক্ত পথলৈ উন্নীত কৰা হ'ব। শ্ৰীগাডকাৰীয়ে কয়, যে এই প্ৰকল্প উদ্দেশ্য হৈছে উত্তৰাখণ্ড আৰু উত্তৰ প্ৰদেশৰ মাজৰ যোগাযোগ উন্নীতকৰণ। চাৰিধাম তীৰ্থযাত্ৰীসকলৰ লগতে প্ৰতিৰক্ষা বাহিনীসমূহৰ বাবে এটা বিকল্প পথ হিচাপেও এই ঘাইপথ প্ৰকল্পটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে বৰ্তমান বিশ্ব অস্থিৰ পৰিস্থিতিৰ সন্মুখীন হৈছে আৰু এনে কিছু ঘটনা সংঘটিত হৈছে যিয়ে গোলকীয় ব্যৱস্থাক এটা নতুন ৰূপ দিব পাৰিব। ভাৰত ৱেইমাৰ বৈঠকৰ সময়ত এই মন্তব্য কৰি ড০ জয়শংকৰে কয়, যে বিগত কিছু বছৰৰ পৰা ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত অস্থিৰতা পৰিলক্ষিত হৈছে। এই ৱেইমাৰ বৈঠকৰ বাবে আমন্ত্ৰণ জনোৱাৰ বাবে তেওঁ শলাগ লয়। এই বৈঠকত শ্ৰীজয়শংকৰৰ উপৰি ফ্ৰান্স, জাৰ্মানী আৰু পোলেণ্ডৰ বিদেশ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে এই বৈঠকত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্কৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল আৰু ইউক্ৰেইনৰ সংঘৰ্ষ সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হয়। তেওঁ কয়, যে বৰ্তমান ইউৰোপীয় সংঘ আৰু ইউৰোপৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক সুদৃঢ় হোৱাৰ সম্ভাৱনা আছে। ড০ জয়শংকৰে কয়, যে বিশ্ব বৰ্তমান বহু মেৰুকৰণৰ দিশে গতি কৰিছে।

০০০০০

তামিলনাডু বিধানসভা নিৰ্বাচনৰ পূৰ্বে পি এম কে দলে এন ডি এক যোগদান কৰিছে। চেন্নাইত এখন সংবাদমেলত এ আই এ ডি এম কেৰ সাধাৰণ সচিব ই পলানীস্বামীয়ে পি এম কেৰ মুৰব্বী অম্বুমণি ৰামাদাসৰ সৈতে এই কথা ঘোষণা কৰিছে। এ আই এ ডি এম কেৰ সাধাৰণ সচিবগৰাকীয়ে কৈছে যে তেওঁলোকে ইতিমধ্যে বিজেপিৰ সৈতে মিত্ৰতা কৰিছে আৰু আন কেইবাটাও দলে এই মিত্ৰজোঁটত যোগ দিয়াৰ সম্ভাৱনা আছে। পি এম কেৰ মুৰব্বী অম্বুমণি ৰামাদাসে এইবুলি অভিযোগ কৰিছে যে তামিলনাডুৰ জনসাধাৰণ শাসনাধিষ্ঠিত দল ডি এম কেৰ ওপৰত ক্ষুব্ধ হৈ আছে আৰু এ আই এ ডি এম কেৰ মিত্ৰজোঁটে ব্যাপক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব।

০০০০০

গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলন অনুষ্ঠিত হ'ব। এই দুদিনীয়া সন্মিলনখনৰ বিষয়বস্তু হৈছে- ভাৰতৰ বস্ত্ৰ ঃ বয়ন বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন। এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বস্ত্ৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিব। এই সন্মিলনৰ লক্ষ্য হৈছে বস্ত্ৰখণ্ডত নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানী, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগত উন্নয়নৰ দিশসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। সন্মিলনৰ উদ্বোধনী অধিৱেশনত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে অন্যান্য বিশিষ্টসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ সৈতে সংগতি ৰাখি দেশৰ বস্ত্ৰ শক্তি, উদ্ভাৱন আৰু সমৃদ্ধ ঐতিহ্যক চিহ্নিত কৰা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই সন্মিলনে জিলাসমূহত বস্ত্ৰৰ মূল্য শৃংখল শক্তিশালী কৰাৰ লক্ষ্যৰে সৰ্বশ্ৰেষ্ঠ অনুশীলন, প্ৰত্যাহ্বান আৰু নীতিগত পৰামৰ্শসমূহৰ আদান-প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

দিল্লী আৰক্ষীয়ে অবৈধ অনুপ্ৰৱেশকাৰীৰ চিনাক্তকৰণ আৰু তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে বিশেষ অভিযান চলাইছে। ভিছাৰ ম্যাদ উকলি যোৱাৰ পাছতো ভাৰতত বাস কৰি থকা ৫ জন লোকক কালি আৰক্ষীয়ে মংগোলপুৰী ৰেলৱে লাইনৰ সমীপৰপৰা গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, সোধা-পোছাৰ সময়ত এওঁলোকৰ কোনোৱেই বৈধ পৰিচয় বা ভ্ৰমণৰ নথি দাখিল কৰিব নোৱাৰিলে। ভাৰতীয় ভিছাৰ ম্যাদ উকলি যোৱাত বাংলাদেশী নাগৰিককেইজনে আন দেশৰ ভিছা লাভৰ চেষ্টা চলাইছিল বুলিও আৰক্ষীয়ে জানিবলৈ দিছে। ইতিমধ্যে বিদেশী আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি লোককেইজনক বিতাড়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। অধিক অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্তকৰণৰ বাবে অধিক অভিযান অব্যাহত ৰখা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ ৰিফৰ্ম এক্সপ্ৰেছৰ গতি অব্যাহত আছে আৰু চলিত বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন- জিডিপি যোৱা বিত্তীয় বৰ্ষৰ ৬ দশমিক ৫ শতাংশৰ তুলনাত ৭ দশমিক ৪ শতাংশ বৃদ্ধি হ'ব বুলি অনুমান কৰা হৈছে। শ্ৰীমোদীয়ে কৈছে, যে এন ডি এ চৰকাৰৰ চাহিদা আধাৰিত নীতিগত পদক্ষেপসমূহৰ বাবেই এই বৃদ্ধি সম্ভৱ হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে সমৃদ্ধ ভাৰতৰ সপোনক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে বুনিয়াদী আন্তঃগাঁথনিৰ বিকাশ, ডিজিটেল ৰাজহুৱা সামগ্ৰী আৰু ব্যৱসায়ৰ সুচলতাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০

আই চি চি মহিলা টি-২০ বিশ্বকাপ ২০২৬ প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলসমূহৰ সূচী প্ৰকাশ কৰা হৈছে। অহা ১৪ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ নেপালত হ'বলগীয়া গ্ল'বেল কোৱালিফায়াৰত বিশ্বকাপত অংশগ্ৰহণকাৰী অন্তিম চাৰিটা স্থানৰ বাবে দহটা দলে প্ৰতিদ্বন্দ্বিতা কৰিব। খেলসমূহ কাঠমাণ্ডুৰ ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয়

ক্ৰিকেট খেলপথাৰ আৰু আপাৰ মুলপানী ক্ৰিকেট খেলপথাৰত অনুষ্ঠিত হ'ব । ১৪ জানুৱাৰীৰ পৰা মুঠ ১০খন প্ৰস্তুতি খেল আৰু ১৮ জানুৱাৰীৰ পৰা যোগ্যতা নিৰ্ণয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত বাংলাদেশে নেদাৰলেণ্ডৰ, জিম্বাবুৱেই পাপুৱা নিউগিনিৰ আৰু আয়োজক নেপালে আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব। গ্ৰুপ Aত বাংলাদেশ, আয়াৰলেণ্ড, নামিবিয়া, পাপুৱা নিউগিনি আৰু আমেৰিকাক, গ্ৰুপ B'ত আয়োজক নেপাল, নেদাৰলেণ্ড, স্কটলেণ্ড, থাইলেণ্ড তথা জিম্বাবুৱেক ৰখা হৈছে।

ooooo

খেলো ইণ্ডিয়া বীচ্ গেমছ 2026ত ডিউৰ ঘোঘলা বিচত অনুষ্ঠিত পেঞ্চাক চিলাটৰ মহিলাৰ গণ্ডা ডাবলৰ ফাইনেলত চণ্ডীগড়ৰ ছিমৰান আৰু ছোনিয়াই স্থানীয় অনুষ্কা সিং আৰু অংশু কুমাৰীক পৰাস্ত কৰিছে। ইপিনে, মণিপুৰে পুৰুষ শাখাত প্ৰতিযোগিতাৰ প্ৰথমটো সোণৰ পদক লাভ কৰিছে।

খেলো ইণ্ডিয়া বীচ্ গেমছ ২০২৬ৰ দ্বিতীয় সংস্কৰণত ১১০০ৰো অধিক অংশগ্ৰহণকাৰীয়ে আঠবিধ ক্ৰীড়া ক্ৰমে ভলীবল, ফুটবল, ছেপাকটাক্ৰ', কাবাডী, পেঞ্চক চিলাট, সাতোৰ, মাল্লাখাম্ব আৰু ৰচী টনা প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। তিনিদিনৰ প্ৰতিযোগিতাৰ অন্তত আয়োজক দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউৱে এটা স্বৰ্ণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে তালিকাত আগবাঢ়ি আছে। চণ্ডীগড়, মণিপুৰ আৰু পশ্চিমবংগয়ো একোটাকৈ সোণৰ পদক লাভ কৰিছে।

ooooo

সমাপ্ত